Total number of printed pages–7

**14 (ASM-3) 3086/96/106**

# 2018

# ASSAMESE

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

Paper : ASM–3086

১। (ক) ভাৰতীয় সাহিত্য বুলিলে কি বুজা? ভাৰতীয় সাহিত্যত ভাৰতীয় চিন্তাই কেনেদৰে প্ৰকাশ লাভ কৰিছে, উদাহৰণ সহকাৰে ব্যাখ্যা কৰা। ১৫

*অথবা*

স্বৰাজোত্তৰ কালছোৱাৰ ভাৰতীয় উপন্যাসৰ গতি-প্ৰকৃতি উল্লেখ কৰি অসমীয়া আৰু বাংলা উপন্যাসৰ বিভিন্ন ধাৰাসমূহৰ চমু আভাস দিয়া।

*Contd.*

২। (ক) জাতীয়তাবাদ বুলিলে কি বুজা? ভাৰতীয় সাহিত্যত জাতীয়তাবাদৰ প্ৰতিফলন সম্পৰ্কে তোমাৰ অভিমত ব্যক্ত কৰা। ১৫

*অথবা*

ভাৰতীয় সাহিত্যৰ বিভিন্ন ধাৰা সম্পৰ্কে আভাস দাঙি ধৰি স্বাধীনোত্তৰ কালছোৱাত ভাৰতীয় কবিতা নাইবা চুটিগল্পত এই ধাৰাসমূহ কেনেদৰে প্ৰতিফলিত হৈছে, বিচাৰ কৰা।

৩। প্ৰেমচান্দৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ উল্লেখ কৰি 'গোদান' উপন্যাসৰ এটি সমীক্ষা দাঙি ধৰা। ১৫

*অথবা*

'মাটিৰ মানুষ' উপন্যাসখনিৰ মাজেদি প্ৰকাশ্য পোৱা কোনবোৰ দিশে পাঠকক বিশেষভাৱে আকৰ্ষিত কৰে, চমুকৈ বৰ্ণনা কৰা।

৪। (ক) 'এ কথা জানিতে তুমি' কবিতাৰ মাধ্যমেদি কবিয়ে নিজৰ মনৰ ভাব কেনেদৰে ব্যক্ত কৰিছে, উদাহৰণ সহকাৰে বুজাই লিখা। ১৫



*অথবা*

মহাদেৱী বাৰ্মাৰ 'মই পলকতে পান কৰিছোঁ' শীৰ্ষক কবিতাটিৰ মাজেদি কবিৰ ৰহস্যবাদী চিন্তাৰ প্ৰকাশ কেনেদৰে ঘটিছে, বুজাই লিখা।

৫। তলৰ *যিকোনো চাৰিটাৰ* বিষয়ে চমুকৈ লিখা। ৫×৪=২০

(ক) কাবুলিৱালা গল্পত মানৱতাবোধ
(খ) অজ্ঞেয়ৰ গল্পশৈলী
(গ) ছায়াবাদ আৰু হিন্দী কবিতা
(ঘ) স্বাধীনোত্তৰ নাটকৰ ধাৰা
(ঙ) উৰিয়া উপন্যাসত আধুনিকতা
(চ) মহাশ্বেতা দেবীৰ উপন্যাস।

---

Paper : ASM–3096

## *(Assamese Vaisnavite, Saiva and Sakta literature)*

১। (ক) ভাৰতীয় বৈষ্ণৱ ধৰ্মৰ মূলউপাস্যদেৱ বিষ্ণুৰ পৰিয়ে ব্যাখ্যা কৰা আৰু নৱবৈষ্ণৱ ধৰ্মৰ অভ্যুত্থানৰ কাৰণসমূহ দাঙি ধৰি এটি আলোচনা আগবঢ়োৱা। ৮+৭=১৫

*অথবা*

(খ) মধ্যযুগত ভাৰতৰ বিভিন্ন প্ৰান্তত গঢ়ি উঠা নৱবৈষ্ণৱ ধৰ্মৰ বৈশিষ্ট্য ৰাজি দাঙি ধৰাৰ লগতে ইয়াৰ প্ৰচাৰক সকলৰ চমু পৰিচয় আগবঢ়োৱা। ১০+৫=১৫

২। (ক) ভক্তিৰ স্বৰূপ সম্পৰ্কে ব্যাখ্যা আগবঢ়োৱা আৰু শংকৰদেৱৰ কীৰ্তনৰ 'হৰমোহন' অধ্যায়ৰ মাজেৰে প্ৰকাশিত ভক্তিতত্ত্ব বিচাৰ কৰা। ১০+৫=১৫

*অথবা*

(খ) নামঘোষাত গুৰু, দেৱ, নাম আৰু ভকত—এই চাৰিবস্তুক কেনেদৰে দাঙি ধৰা হৈছে ব্যাখ্যা কৰা আৰু গ্ৰন্থখনৰ দাৰ্শনিক ভিত্তি যে বেদান্ত—' উদাহৰণ সহ আলোচনা কৰা। ৮+৭=১৫

৩। (ক) ৰুচিনাথ কন্দলীৰ পৰিচয় দিয়া আৰু তেওঁৰ সাহিত্য কৃতি সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা। ৫+১০=১৫



*অথবা*

(খ) ৰুচিনাথ কন্দলীয়ে 'শ্ৰী শ্ৰী চণ্ডী' ত ধৰ্মপক্ষীৰ পূৰ্ব বৃত্তান্ত কেনেদৰে আগবঢ়াইছে বৰ্ণনা কৰা। গ্ৰন্থ খনিৰ কাহিনী ভাগত এই বৃত্তান্তৰ প্ৰাসঙ্গিকতা আছে নে নাই সেই বিষয়েও বিচাৰ কৰা। ১০+৫=১৫

৪। (ক) মহাপুৰাণ আৰু উপপুৰাণৰ সংজ্ঞা আগবঢ়োৱা। ৰুদ্ৰসিংহ কৃত শিৱ পুৰানখনক পুৰাণৰ কোনটো শ্ৰেণীত পৰিব তোমাৰ যুক্তিসহ আলোচনা কৰা। ৫+১০=১৫

*অথবা*

(খ) ৰুদ্ৰসিংহৰ 'শিৱ পুৰাণ' খনৰ বিষয় বস্তুৰ পৰিচয় দাঙি ধৰি অসমীয়া শৈৱ সাহিত্যত গ্ৰন্থ খনৰ স্থান নিৰ্ণয় কৰা। ১০+৫=১৫

৫। চমু টোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৪×৫=২০

(ক) একেশ্বৰ বাদ আৰু অৱতাৰ বাদ

(খ) অদ্বৈত বাদ আৰু বিশিষ্ট অদ্বৈত বাদ

(গ) অন্তৰঙ্গ আৰু সপ্ৰেমভক্তি

(ঘ) ৰক্তবীজ আৰু ধুম্ৰলোচন

(ঙ) শিৱ লিঙ্গ আৰু শক্তি পীঠ

(চ) বিষ্ণু লোক আৰু শিৱ লোক

Paper : ASM–3106

১। (ক) অসমীয়া ভাষাৰ স্পৰ্শ ব্যঞ্জনসমূহৰ তালিকা এখন প্ৰস্তুত কৰি ইবিলাকৰ অৱস্থানগত প্ৰধান উপধ্বনি কেইটাৰ উদাহৰণসহ বিশ্লেষণ কৰা। ২+১৪=১৬

*অথবা*

(খ) শ্বাসঘাত (Stress)-ৰ সংজ্ঞা দাঙি ধৰি অসমীয়া ভাষাত শ্বাসাঘাতৰ প্ৰয়োগ সম্পৰ্কে উদাহৰণৰ সৈতে আলোচনা কৰা। ৪+১২=১৬

২। (ক) অসমীয়া ভাষাৰ গাঁথনিক বিশ্লেষণত সৰ্গৰ অৱস্থানগত আৰু গুণগত শ্ৰেণীবিভাজনে কেনেধৰণৰ ভূমিকা গ্ৰহণ কৰে, উদাহৰণসহ বিশ্লেষণ কৰা। ১৬

*অথবা*

(খ) প্ৰাকৃতি বিজ্ঞানৰ আলোচনাত ধ্বনিসাপেক্ষতা (Phonologically conditioned) আৰু ৰূপসাপেক্ষতা (Morphologically conditioned)-ৰ বিষয়ে উপযুক্ত উদাহৰণসহ বিশ্লেষণ কৰা। ৮+৮=১৬

৩। (ক) "উৎপাদক ব্যাকৰণ (Generative Grammar)-ত বাক্য সৃষ্টিৰ প্ৰক্ৰিয়া কেনেদৰে ব্যাখ্যা কৰা হৈছে? ফঁহিয়াই আলোচনা কৰা। ১৬



*অথবা*

(খ) আঙ্গিকতা (Constituency) বুলিলে কি বুজা? কি কি উপায়েৰে বাক্যগত উপাদানৰ আঙ্গিকতা পৰীক্ষা কৰিব পাৰি? ৪+১২=১৬

৪। (ক) ইঙ্গিতাৰ্থ (Implicature) বুলিলে কি বুজা? প্ৰসংগৰ সৈতে ইংগিতাৰ্থ কেনেদৰে জড়িত হৈ থাকে? বিচাৰ কৰা। ৪+১২=১৬

*অথবা*

(খ) "প্ৰতিপন্নকৰণ (Assertion) "হৈছে বক্তাৰ ভাবনাৰ প্ৰত্যক্ষ প্ৰকাশ"।—উদাহৰণৰ সহায়ত কথাষাৰ বিশ্লেষণ কৰা। ১৬

৫। চমুটোকা লিখা ঃ *(যিকোনো দুটা)* ৮×২=১৬

(ক) অসমীয়া ভাষাৰ সন্ধিৰ (Juncture) বিশেষত্ব

(খ) অসমীয়া ভাষাৰ গৌণ ধাতুৰূপ

(গ) প্ৰাক্‌ধাৰণা (Presupposition) আৰু অৰ্থৰ সম্বন্ধ

(ঘ) বিশ্বজনীন ব্যাকৰণ (Universal Grammar)

---